**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 17-03-2026
**Time :** 1910 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। লোকসভাত আজি ২০২৬-২৭ বৰ্ষৰ বাবে ৰে'ল মন্ত্ৰালয়ৰ নিয়ন্ত্ৰণত থকা অনুদানৰ দাবী সন্দৰ্ভত আলোচনা কৰা হয়।

২। নিৰ্বাচন আয়োগে আজি তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ পশ্চিমবংগৰ ১৯ গৰাকী জ্যেষ্ঠ আৰক্ষী বিষয়াক বদলি কৰাৰ নিৰ্দেশ দিছে।

৩। বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ভাৰতীয় পতাকা থকা ৰন্ধন গেছ পৰিবাহী শিৱালিক আৰু নন্দা দেৱী নামৰ জাহাজৰ নাৱিক আৰু অন্য কৰ্মীসকলৰ সৈতে মত বিনিময় কৰে। *আৰু*

৪। ফ্ৰান্সৰ পেলেইচ ডেছ স্পৰ্টছত আজিৰ পৰা অৰ্লিনছ মাষ্টাৰ্ছ ছুপাৰ থ্ৰী-হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হৈছে।

ooooo

লোকসভাত আজি ২০২৬-২৭ বৰ্ষৰ বাবে ৰে'ল মন্ত্ৰালয়ৰ নিয়ন্ত্ৰণত থকা অনুদানৰ দাবী সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাত অংশগ্ৰহণ কৰি টি এম চিৰ শতাব্দী ৰয়ে কয়, যে এতিয়াও ৩৪১ খন ৰে'লত পেণ্ট্ৰি সেৱাৰ সুবিধা নাই। তেওঁ লগতে ৰে'লত স্বাস্থ্যসন্মত খাদ্যৰ ব্যৱস্থা নিশ্চিত কৰাৰ বিষয়টোৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ৰে'লৱে যাত্ৰীৰ পৰা বাতিল মাচুল লোৱা হয় যদিও অপেক্ষাৰ তালিকাত থকা টিকট বাতিল কৰাৰ বিষয়টোৰ ওপৰতো শ্ৰীমতী ৰয়ে লগতে আঙুলিয়াই দিয়ে।

লোক জনশক্তিৰ দলৰ অৰুণ ভাৰতীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতীয় ৰে'লৱে নিজৰ পৰিবহণ ব্যৱস্থাৰ ৰূপান্তৰ ঘটাইছে আৰু এতিয়া বিশ্বব্যাপী মাপকাঠি নিৰ্ধাৰণ কৰি দিছে। তেওঁ উল্লেখ কৰে যে ২০২৬-২৭ কেন্দ্ৰীয় বাজেটত ৰে'লৱেৰ বাবে ২ লাখ ৯৩ হাজাৰ কোটি টকাৰ মূলধনী ব্যয় আৱণ্টন দিয়া হৈছে যাৰ ফলত আন্তঃগাঁথনি উন্নয়নত সহায়ক হ'ব। তেওঁ লগতে দাবী কৰে যে দেশত বৰ্তমান ৰে'ল দুৰ্ঘটনা ৯০ শতাংশ হ্ৰাস পাইছে।

কংগ্ৰেছৰ ৰাজমোহন উন্নীথানে কেৰালাৰ ৰে'ল প্ৰকল্পসমূহ মন্থৰ গতিৰে আগবাঢ়িছে বুলি অভিযোগ কৰি ৰাজ্যত তীব্ৰবেগী ৰে'ল কৰিডৰৰ দাবী উত্থাপন কৰে।

বিজেপিৰ মালবিকা দেৱীয়ে কয়, যে মোদী চৰকাৰে ভাৰতীয় ৰে'লৱেত এক নতুন যুগৰ সুচনা কৰিছে। কেন্দ্ৰীয় বাজেটত ৰে'লৱেৰ সৈতে জড়িত ঘোষণাই ৰাজহ বৃদ্ধি কৰাৰ লগতে যাত্ৰীৰ সুবিধাও বৃদ্ধি কৰিব বুলি তেওঁ প্ৰকাশ কৰে। মালবিকা দেৱীয়ে লগতে কয়, যে বন্দে ভাৰত শ্লিপাৰ, ইষ্ট-ৱেষ্ট মালবাহী কৰিডৰ, সম্পূৰ্ণ বৈদ্যুতিকীকৰণ আৰু নতুন নিৰ্মাণ প্ৰকল্পৰ দৰে পদক্ষেপে যাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাই নহয় ই বহনক্ষম, পৰিৱেশ অনুকুল আৰু আধুনিক পৰিবহণ আন্তঃগাঁথনিকো লাভান্বিত কৰিব।

ooooo

নিৰ্বাচন আয়োগে আজি তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ পশ্চিমবংগৰ ১৯ গৰাকী জ্যেষ্ঠ আৰক্ষী বিষয়াক বদলি কৰাৰ নিৰ্দেশ দিছে। আয়োগে ২০১২ চনৰ আই পি এছ্ বিষয়া পুষ্পাক বৰাছাত আৰক্ষী জিলাৰ আৰক্ষী অধীক্ষক নিযুক্তি দিয়ে। ইফালে ২০১৩ বেট্‌ছৰ আই পি এছ্ বিষয়া ঈশানী প'লক ডায়মণ্ড হাৰ্বাৰ আৰক্ষী জিলাৰ এছ্ পি হিচাপে নিযুক্তি দিয়া হৈছে আৰু ২০১৩ বেট্‌ছৰ বিষয়া শচীনক মুৰ্চিদাবাদ আৰক্ষী জিলাৰ এছ্ পি হিচাপে নিযুক্তি দিয়া হৈছে। আয়োগে কোচবিহাৰৰ এছ্ পি হিচাপে জছপ্ৰীত সিঙক আৰু ২০১৭ বেট্‌ছৰ আই পি এছ্ কুমাৰ ছানী ৰাজক হুগলী গ্ৰাম্য জিলাৰ এছ্ পি হিচাপে নিযুক্তি দিছে। ইপিনে ১৯৯৭ বেট্‌ছৰ বিষয়া ড০ ৰাজেশ কুমাৰ সিঙক দক্ষিণ বংগৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়াৰ বিপৰীতে কে জয়ৰামক উত্তৰ বংগৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হৈছে। আয়োগে ২০০৩ বেট্‌ছৰ আই পি এছ্ বিষয়া ড০ প্ৰণৱ কুমাৰক আছানছল দুৰ্গাপুৰৰ আৰক্ষী আয়ুক্ত আৰু ২০০৫ বেটছৰ আই পি এছ্ বিষয়া অখিলেশ কুমাৰ চতুৰ্বেদিক হাওৰাৰ আৰক্ষী আয়ুক্তি হিচাপে নিযুক্তি দিছে। আনহাতে ২০০৯ চনৰ আই পি এছ্ বিষয়া অমিত কুমাৰ সিঙক বাৰাকপুৰৰ আৰক্ষী আয়ুক্ত আৰু একেটা বেট্‌ছৰ আই পি এছ্ বিষয়া সুনীল কুমাৰ যাদৱক চন্দন নগৰৰ আৰক্ষী আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। ইয়াৰ পূৰ্বে আয়োগে কালি পশ্চিমবংগৰ আৰক্ষী মহানিৰ্দেশককে ধৰি চাৰিজন জ্যেষ্ঠ আই পি এছ্ বিষয়াক বদলি কৰিছিল।

০০০০০

বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ভাৰতীয় পতাকা থকা ৰন্ধন গেছ্ পৰিবাহী শিৱালিক আৰু নন্দা দেৱী নামৰ জাহাজ দুখনে ভাৰতৰ উপকূলত উপস্থিত হোৱাৰ পাছত জাহাজ দুখনৰ নাৱিক আৰু অন্য কৰ্মীসকলৰ সৈতে মত বিনিময় কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসোণোৱালে কয়, যে সাম্প্ৰতিক জটিল পৰিস্থিতিত পাৰস্য উপসাগৰ আৰু কৌশলগত দিশৰ পৰা গুৰুত্বপূৰ্ণ হৰমুজ প্ৰণালীৰে নিৰাপদে যাতায়াত নিশ্চিত কৰাৰ ক্ষেত্ৰত জাহাজৰ কৰ্মীসকলৰ সতৰ্কতা, সমন্বয় আৰু দায়বদ্ধতাৰ মনোভাৱ প্ৰশংসনীয়। মন্ত্ৰীগৰাকীয়ে লগতে দেশৰ নাৱিকসকলৰ সুৰক্ষা আৰু কল্যাণৰ প্ৰতি দেশ সদায়ে দায়বদ্ধ বুলি উল্লেখ কৰে।

০০০০০

দীনদয়াল অন্তোদয়া যোজনা- ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত বেংকসমূহে আত্মসহায়ক গোটসমূহলৈ ১২ লাখ ৩০ হাজাৰ কোটি টকাৰো অধিক ঋন মুকলি কৰি দিছে বুলি গ্ৰাম্য উন্নয়ন ৰাজ্য মন্ত্ৰী চন্দ্ৰশেখৰ পেম্মাছানিয়ে আজি লোকসভাৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত প্ৰকাশ কৰে। তেওঁ লগতে চৰকাৰে আত্মসহায়ক গোটৰ বাবে ঋন সুলভ কৰাৰ উদ্দেশ্যে আৰ্থিক সাহায্য আঁচনি আৰম্ভ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিৰ অধীনত বেংকসমূহে মহিলাসকলক ৰেহাই মূল্যত সুতৰ হাৰত ঋণ প্ৰদান কৰিব। ৩ লাখ টকা পৰ্যন্ত ঋণৰ বাবে বেংকসমূহে বছৰি ৭ শতাংশ ৰেহাই মূল্যত সুতৰ হাৰত ঋণ প্ৰদান কৰাৰ লগতে মন্ত্ৰীগৰাকীয়ে ৩ লাখৰ অধিক ৫ লাখ পৰ্যন্ত ঋণৰ ক্ষেত্ৰত বেংকসমূহে বছৰি ১০ শতাংশ সুতৰ হাৰত ঋণ প্ৰদান কৰিব বুলি প্ৰকাশ কৰে।

০০০০০

শিৱালিকৰ পাছত আজি ভাৰতৰ ৰন্ধন গেছ্ পৰিবাহী নন্দা দেৱী নামৰ জাহাজখনে গুজৰাটৰ দেৱভূমি দ্বাৰকা জিলাৰ ভাদিনাৰ বন্দৰত লংগৰ পেলায়। কাটাৰৰ পৰা অহা হৰমুজ প্ৰণালীৰ মাজেৰে আহি ভাৰত পোৱা এই জাহাজখনে প্ৰায় ৪৬ হাজাৰ মেট্ৰিকটন ৰন্ধন গেছ্ কঢ়িয়াই আনিছে। আমাৰ সংবাদদাতাই

জনোৱা অনুসৰি বন্দৰটোত জাহাজখনৰ আনলোড প্ৰক্ৰিয়া আৰম্ভ হৈছে। কালি গুজৰাটৰ মুন্দ্ৰা বন্দৰত আন এখন ৰন্ধন গেছ পৰিবাহী জাহাজ শিৰালিকে লংগৰ পেলাইছিল। দুয়োখন জাহাজৰ জৰিয়তে আমদানি কৰি অনা ৰন্ধন গেছে দেশৰ সাম্প্ৰতিক ৰন্ধন গেছৰ নাটনিৰ কিছু পৰিমাণে জোৰা মাৰিব পাৰিব বুলি আশা কৰা হৈছে। দেশত ৰন্ধন গেছৰ যোগান শৃংখলাত সম্প্ৰতি কোনো নাটনি হোৱা নাই বুলি প্ৰশাসনে জনসাধাৰণক পুনৰ আশ্বাস দিছে।

০০০০০

গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চয়তা আইন- এম জি এনৰেগাৰ নাম সলনি কৰি ৰোজগাৰ আৰু আজীৱিকা মিছনৰ বাবে বিকশিত ভাৰত— গেৰাণ্টি ভিবি জি ৰাম জিৰ নামকৰণ কৰা বিষয়টোৰ সন্দৰ্ভত সন্মতি প্ৰকাশ কৰিছে। ৰাজ্যসভাত আজি এটা আলোচনাৰ উত্তৰ দি শ্ৰীচৌহানে কয়, যে ২০০৬-০৭ চনৰ পৰা ২০১৪ চনলৈ ইউ পি এ চৰকাৰে এই আঁচনিৰ বাবে ২ লাখ ১২ হাজাৰ ৪০৯ কোটি টকা ব্যয় কৰিছিল যদিও নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰৰ হাতত ইয়াৰ বাবে ৮ লাখ ৫৮ হাজাৰ ৩৪৬ কোটি টকা মজুত আছে। শ্ৰীচৌহানে লগতে কয়, যে গ্ৰাম্য নিয়োগ আইনখনৰ নাম সলনি কৰাক লৈ বিৰোধীয়ে ৰাজনীতি আৰম্ভ কৰিছে। তেওঁ কয়, যে জৱাহৰ ৰোজগাৰ যোজনাৰ পাছত ইয়াৰ নাম সলনি কৰি ইয়াৰ নাম এনৰেগা কৰা হৈছিল আৰু পাছত মহাত্মা গান্ধীৰ নামটো সংযোজন কৰা হৈছিল। মন্ত্ৰীগৰাকীয়ে কয়, যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে **সবকা সাথ সবকা বিকাশ** মূলমন্ত্ৰৰে দেশৰ পৰা দৰিদ্ৰতা দূৰ কৰাৰ বাবে কাম কৰি আহিছে। তেওঁ লগতে আলোকপাত কৰে যে কেন্দ্ৰীয় বাজেটত এতিয়ালৈকে সৰ্বাধিক ভিবি জি ৰাম জিৰ অধীনত ৯৫ হাজাৰ ৬৯২ কোটিতকৈও অধিক টকা আৱণ্টন দিয়া হৈছে। তেওঁ কয়, যে বিজেপি চৰকাৰ নথকা ঝাৰখণ্ড, কেৰালা, পঞ্জাব আৰু হিমাচল প্ৰদেশৰ দৰে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহেও ইতিমধ্যে তেওঁলোকৰ বাজেটত ভিবি জি ৰাম জিৰ ব্যৱস্থা কৰিছে। শ্ৰীচৌহানে কয়, যে তেওঁৰ মন্ত্ৰালয়ে ভাৰতৰ গ্ৰাম্য অঞ্চলত পকীঘৰ আৰু গ্ৰাম্য পৰিয়ালসমূহত গেছ সংযোগ প্ৰদানৰ বাবে কাম কৰি আছে।

০০০০০

ৰাষ্ট্ৰীয় ৰাজধানীত কাইলৈৰ পৰা জনজাতীয় জনগোষ্ঠীসমূহৰ সাংস্কৃতিক ঐতিহ্য আৰু উদ্যোগীকৰণক প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে ভাৰত ট্ৰাইবছ ফেষ্ট ২০২৬ মুকলি কৰা হ'ব। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অৰামে ভাৰতীয় জনজাতি সমবায় বিপণন উন্নয়ন ফেডাৰেচনে সুন্দৰ নাৰ্চাৰীত আয়োজন কৰা এই মহোৎসৱৰ মুকলি কৰিব। দেশৰ বিভিন্ন প্ৰান্তৰ ৭৮টা কেন্দ্ৰই অংশগ্ৰহণ কৰিবলগীয়া এই মহোৎসৱৰ ৩০ মাৰ্চত সামৰণি পৰিব।

০০০০০

ফ্ৰান্সৰ পেলেইচ ডেছ স্পৰ্টছত আজিৰ পৰা অৰ্লিনছ মাষ্টাৰ্ছ ছুপাৰ থ্ৰী-হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হৈছে। মহিলাৰএকক শাখাত ভাৰতৰ আকৰ্ষী কাশ্যপ আৰু চাইনীজ টাইপেইৰ ৱাই লিৰ মাজত এখন কোৱাফায়াৰ মেচ চলি আছে। আনহাতে পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডত কাইলৈ কিদাম্বী শ্ৰীকান্ত ডেনমাৰ্কৰ মেগনাচ জোহানচেনৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত